Total number of printed pages : 8

**27T ECON**

# 2017

# ECONOMICS

**Full Marks : 100**

**Pass Marks : 30**

**Time : Three hours**

***The figures in the margin indicate full marks for the questions.***

## Part I (ক - অংশ)

| | |
|---|---|
| Q. No. **1 (a–f)** carries **1** mark each | 1×6 = 6 |
| Q. No. **2 – 7** carries **2** marks each | 2×6 = 12 |
| Q. No. **8 –12** carries **4** marks each | 4×5 = 20 |
| Q. No. **13 & 14** carries **6** marks each | 6×2 = 12 |
| | Total = 50 |

## Part II (খ - অংশ)

| | |
|---|---|
| Q. No. **15 (a–f)** carries **1** mark each | 1×6 = 6 |
| Q. No. **16 – 21** carries **2** marks each | 2×6 = 12 |
| Q. No. **22 –26** carries **4** marks each | 4×5 = 20 |
| Q. No. **27 & 28** carries **6** marks each | 6×2 = 12 |
| | Total = 50 |

Total (Part I & II) : 50 + 50 = 100

Contd.

## PART A – ক অংশ

1. (a) Define service 1

সেৱাৰ সংজ্ঞা দিয়া।

(b) Fill in the blank :

The allocation of ________ resources and distribution of the final goods and services are the central problems of any economy. 1

________ সম্পদৰ আবন্টন আৰু চূড়ান্ত দ্ৰব্য আৰু সেৱাৰ বিতৰণ হ'ল যিকোনো অৰ্থনীতিৰ কেন্দ্ৰীয় সমস্যা।

(c) What is a demand function ? 1

চাহিদা ফলন কি ?

(d) What happens to total product when marginal product is zero ? 1

প্ৰান্তিক উৎপাদন শূণ্য হ'লে মুঠ উৎপাদনৰ কি হয় ?

(e) What does a vertical supply curve imply ? 1

উলম্ব যোগান ৰেখাই কি সূচায় ?

(f) Why is average total cost (ATC) greater than average variable cost (AVC) ? 1

গড় পৰিবৰ্ত্তনশীল ব্যয়তকৈ গড় মুঠ ব্যয় কিয় অধিক ?

2. State the meaning of microeconomics and macroeconomics. 2

ব্যষ্টিবাদী অৰ্থনীতি আৰু সমষ্টিবাদী অৰ্থনীতিৰ অৰ্থ লিখা।

3. Why does a budget line slope downward ? 2

এডাল বাজেট ৰেখা তলমুৱাকৈ হেলনীয়া কিয় ?

4. If the total utilities of 4 and 5 units of a commodity for a consumer are 56 and 60 respectively, calculate the marginal utility of 4 units of it for him. 2

উপভোক্তা এজনৰ বাবে বস্তু এবিধৰ 4 আৰু 5 গোটৰ মুঠ উপযোগিতা ক্ৰমে 56 আৰু 60 হ'লে তেওঁৰ বাবে বস্তুবিধৰ 4 গোটৰ প্ৰান্তিক উপযোগিতা নিৰ্ণয় কৰা।

5. State *any two* exceptions of the law of demand. 2

চাহিদা বিধিটোৰ *যিকোনো দুটা* ব্যতিক্ৰম লিখা।

6. Define the term "long-run" as used in production. 2

উৎপাদন কাৰ্য্যত ব্যৱহৃত "দীৰ্ঘকাল"ৰ সংজ্ঞা দিয়া।

7. State *any two* assumptions of the law of variable proportions. 2

পৰিবৰ্ত্তনশীল অনুপাতৰ বিধিটোৰ *যিকোনো দুটা* অভিধাৰণা লিখা।

8. Distinguish between supply and stock. 4

যোগান আৰু মজুতৰ পাৰ্থক্য দেখুওঁৱা।

***OR / অথবা***

Explain briefly *any four* factors affecting supply of a commodity.

এটা সামগ্ৰীৰ যোগানক প্ৰভাৱিত কৰা *যিকোনো চাৰিটা* কাৰকৰ বিষয়ে চমুকৈ ব্যাখ্যা কৰা।

9. Explain the law of supply with the help of a supply schedule. 4

যোগান অনুসূচীৰ সহায়ত যোগান বিধিটো ব্যাখ্যা কৰা।

10. State the relationship between average cost (AC) and marginal cost (MC) using diagram. 4

চিত্ৰ ব্যৱহাৰ কৰি গড় ব্যয় (AC) আৰু প্ৰান্তিক ব্যয় (MC) ৰ সম্পৰ্ক লিখা।

11. State the distinction between explicit cost and implicit cost. Give *one* example of each of them. 2+2=4

প্ৰকাশ্য আৰু অন্তৰ্নিহিত ব্যয়ৰ পাৰ্থক্য লিখা। প্ৰত্যেকৰে *এটাকৈ* উদাহৰণ দিয়া।

12. Write down *three* characteristics of monopolistic competition. State whether the output produced by a firm under such a market is higher/lower than or equal to that of a firm under perfect competition. 3+1=4

একাধিকাৰ প্ৰতিযোগিতামূলক বজাৰৰ *তিনিটা* বৈশিষ্ট্য লিখা। এনে বজাৰৰ ব্যৱসায় প্ৰতিষ্ঠান এখনৰ উৎপাদনৰ পৰিমাণ পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰৰ ব্যৱসায় প্ৰতিষ্ঠান এখনৰ তুলনাত অধিক/কম নে সমান লিখা।

***OR / অথবা***

"Monopoly firm is a price maker" — Explain.

"একচেটিয়া ব্যৱসায় প্ৰতিষ্ঠান এখন দৰ নিৰ্দ্ধাৰণকাৰী" — বৰ্ণনা কৰা।

13. Explain the *two* basic conditions of consumer's equilibrium assuming that the consumer consumes only two goods. 6

এজন ভোক্তাই কেৱল দুবিধ সামগ্ৰী ভোগ কৰে বুলি ধৰিলৈ তেওঁৰ ভাৰসাম্যৰ প্ৰাথমিক চৰ্ত্ত *দুটা* ব্যাখ্যা কৰা।

***OR / অথবা***

Explain the concepts of change in quantity demanded and change in demand using suitable diagrams.

উপযুক্ত চিত্ৰ ব্যৱহাৰ কৰি চাহিদাৰ পৰিমাণৰ পৰিবৰ্ত্তন আৰু চাহিদাৰ পৰিবৰ্ত্তনৰ ধাৰণাকেইটা ব্যাখ্যা কৰা।

14. The demand and supply functions of a firm under perfectly competitive market are given below :

$Q_d = 200 - 2P$ and

$Q_s = -100 + 3P$

Find *(i)* The equilibrium price and output.

*(ii)* If due to increased cost, the supply function becomes $Q_s = -200 + 3P$, what will be the changes in equilibrium Price and Output? 3+3=6

পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰৰ ব্যৱসায় প্ৰতিষ্ঠান এখনৰ চাহিদা আৰু যোগান ফলন তলত উল্লেখ কৰা ধৰণৰ :

$Q_d = 200 - 2P$ আৰু

$Q_s = -100 + 3P$

*(i)* ভাৰসাম্য দৰ আৰু পৰিমাণ নিৰ্ণয় কৰা।

*(ii)* ব্যয় বৃদ্ধিৰ বাবে যোগান ফলন যদি $Q_s = -200 + 3P$ হয়, তেনেহ'লে ভাৰসাম্য দৰ আৰু পৰিমাণৰ কি পৰিবৰ্ত্তন হ'ব ?

***OR / অথবা***

The total cost (TC) and prices (P) at different units of output of a monopolist are given below :

*(i)* Find out the total revenue (TR), marginal revenue (MR) and marginal cost (MC) schedules.

*(ii)* Find out the equilibrium quantity of output $(\overline{Q})$. (1+2+2)+1=6

এগৰাকী একচেটিয়া ব্যৱসায়ীৰ উৎপাদনৰ বিভিন্ন গোটৰ ৰাবে মুঠ ব্যয় (TC) আৰু দাম (P) তলত দিয়া হৈছে।

*(i)* মুঠ আয় (TR), প্ৰান্তিক আয় (MR) আৰু প্ৰান্তিক ব্যয় (MC) অনুসূচী নিৰ্ধাৰণ কৰা।

*(ii)* উৎপাদনৰ ভাৰসাম্য পৰিমাণ $(\overline{Q})$ নিৰ্ণয় কৰা।

| **Q** | **TC** | **P** |
|---|---|---|
| 1 | 20 | 15 |
| 2 | 35 | 14 |
| 3 | 45 | 13 |
| 4 | 51 | 12 |
| 5 | 58 | 11 |
| 6 | 66 | 10 |
| 7 | 76 | 9 |
| 8 | 88 | 8 |

## PART B – খ অংশ

15. *(a)* What is the alternative name of macroeconomics ? 1

সমষ্টিবাদী অৰ্থবিজ্ঞানৰ বিকল্প নাম কি ?

*(b)* What is the significance of the 45° line in Keynesian income determination model ? 1

কেইনচীয় আয় নিৰূপণ আৰ্হিত 45° ৰেখাডালৰ তাৎপৰ্য্য কি ?

*(c)* What is the value of MPC when MPS is zero ? 1

MPS অৰ মান শূণ্য হ'লে, MPC ৰ মান কি ?

*(d)* What is foreign exchange rate ? 1

বৈদেশিক বিনিময় হাৰ কি ?

(e) What is meant by appreciation of the currency of a country? 1

এখন দেশৰ মুদ্ৰাৰ উৰ্দ্ধমূল্যায়ন মানে কি বুজায় ?

(f) What is invisible trade? 1

অদৃশ্য বাণিজ্য কি ?

16. Give *any two* examples of macroeconomic variable. 2

সমষ্টিবাদী অৰ্থনৈতিক চলকৰ *যিকোনো দুটা* উদাহৰণ দিয়া।

17. State the concept of depreciation in the context of national income accounting. 2

ৰাষ্ট্ৰীয় আয় গণনাৰ প্ৰসংগত অৱক্ষয়ৰ ধাৰণাটো লিখা।

18. If the marginal propensity to save *(s)* of an economy is 0·3, find out the value of the income multiplier. 2

এটা অৰ্থব্যৱস্থাত যদি প্ৰান্তিক সঞ্চয় প্ৰৱণতা *(s)* 0·3 হয়, তেনেহ'লে আয় গুণকৰ মান উলিওৱা।

19. State *any two* measures of fiscal policy to correct the problem of excess demand in an economy. 2

এটি অৰ্থব্যৱস্থাত অতিৰিক্ত চাহিদাৰ সমস্যা দূৰ কৰিবলৈ ৰাজকোষীয় নীতিৰ *যিকোনো দুটা* ব্যৱস্থা লিখা।

20. Give the concept of full employment equilibrium. 2

পূৰ্ণ নিয়োগ ভাৰসাম্যৰ ধাৰণাটো আগবঢ়োৱা।

21. What is deficit financing? 2

ঘাটি বিত্তায়ন কি ?

22. What are the *four* factors of production? Write down the name of the remuneration to each of them. 2+2=4

উৎপাদনৰ উপাদান *চাৰিটা* কি ? সিহঁতৰ প্ৰত্যেকৰে পাৰিশ্ৰমিকৰ নাম লিখা।

23. Explain *any four* causes of disequilibrium in BOP. 4

লেন-দেনৰ সমতাৰ ভাৰসাম্যহীনতাৰ *যিকোনো চাৰিটা* কাৰণ ব্যাখ্যা কৰা।

**OR / অথবা**

Distinguish between factor income and transfer income. 4

উপাদানৰ আয় আৰু হস্তান্তৰ আয়ৰ মাজৰ পাৰ্থক্য দেখুওঁৱা।

24. It is planned to increase national income by ₹1,000 crore in an economy. How much increase in investment is required to achieve this goal if MPC = 0·6 ? 4

এটি অৰ্থব্যৱস্থাত জাতীয় আয় 1,000 কোটি টকা বৃদ্ধি কৰাৰ পৰিকল্পনা কৰা হৈছে। MPC = 0·6 হ'লে উক্ত লক্ষ্যত উপনীত হ'বলৈ বিনিয়োগ কিমান পৰিমাণে বৃদ্ধি হ'ব লাগিব ?

25. What is the meaning of government budget ? Distinguish between revenue receipts and capital receipts. 1+3=4

চৰকাৰী বাজেটৰ অৰ্থ কি ? ৰাজহ প্ৰাপ্তি আৰু মূলধনী প্ৰাপ্তিৰ মাজৰ পাৰ্থক্য দেখুওঁৱা।

26. Point out *two* merits and *two* demerits of indirect tax. 2+2=4

পৰোক্ষ কৰৰ *দুটা* গুণ আৰু *দুটা* দোষ আঙুলিয়াই দিয়া।

27. Explain the income method of calculating GDP. 6

মুঠ ঘৰুৱা উৎপাদন গণনাৰ আয় পদ্ধতিটো ব্যাখ্যা কৰা।

**OR / অথবা**

Explain the relationship between investment multiplier and MPC.

বিনিয়োগ গুণক আৰু প্ৰান্তিক ভোগ প্ৰৱণতাৰ মাজৰ সম্পৰ্ক ব্যাখ্যা কৰা।

28. Briefly explain *any four* functions of a commercial bank. 6

বাণিজ্যিক বেংকৰ *যিকোনো চাৰিটা* কাৰ্য্য চমুকৈ ব্যাখ্যা কৰা।

**OR / অথবা**

Describe the speculative demand for money.

মুদ্ৰাৰ কল্পনাপ্ৰসূত চাহিদাৰ বিষয়ে বৰ্ণনা কৰা।

—— × ——